# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 29-06-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব।

২। ৰাজ্যসভাত কালি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা আৰম্ভ হয়।

৩। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই বাতিল হোৱা আৰু পিছুৱাই দিয়া বিভিন্ন পৰীক্ষাৰ নতুন সূচী ঘোষণা কৰিছে।

৪। শ্ৰীলংকাত অনলাইন বিত্তীয় কেলেংকাৰীত জড়িত থকাৰ অভিযোগত ১৩৭ গৰাকী ভাৰতীয় নাগৰিকক গ্ৰেপ্তাৰ কৰা হৈছে।

*আৰু*

৫। ভাৰত আজি আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৰছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটিৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ৰাজ্যসভাত কালি নীট পৰীক্ষাৰ বিষয় লৈ বিৰোধী পক্ষৰ সদস্যসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ মাজত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিয়া ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা আৰম্ভ হয়। এই আলোচনাৰ বাবে মুঠ ২১ ঘণ্টা আৱণ্টন কৰা হৈছে। আলোচনাৰ পাতনি মেলি বিজেপিৰ সুধাংশু ত্ৰিবেদীয়ে চৰকাৰে বিগত ১০ বছৰত লাভ কৰা সাফল্যৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে, ভাৰতে ব্ৰিটেইনক চেৰ পেলাই ইতিমধ্যে বিশ্বৰ পঞ্চম সৰ্ববৃহৎ অৰ্থব্যৱস্থাৰ দেশৰূপে পৰিগণিত হৈছে।

চৰকাৰে ৩৪ কোটি এল ই ডি বাল্ব বিতৰণ কৰিছে আৰু ইয়াৰ পৰা সেউজ শক্তিৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ পাইছে বুলি বিজেপি সাংসদগৰাকীয়ে মন্তব্য কৰে।

আলোচনাত ভাগ লৈ দলৰ আন এগৰাকী সাংসদ ৰাকেশ সিনহাই সংবিধানৰ অৱমাননা কৰাৰ বাবে কংগ্ৰেছ দলক তীব্ৰ সমালোচনা কৰে। তেওঁ কয় যে, কংগ্ৰেছ দলে ভিন্ন ক্ষেত্ৰৰ বাবে ভিন্ন নৈতিক মানসিকতাৰে কাম কৰি আহিছে আৰু দলটোৱে নিৰ্বাচনত জয়ী হ'লে ই ভি এমৰ প্ৰশংসা কৰাৰ বিপৰীতে পৰাজয় বৰণ কৰিলে ই ভি এমক দোষাৰোপ কৰি আহিছে। আলোচনাত অংশ লৈ ৰাই এছ আৰ কংগ্ৰেছৰ গোলা বাবু ৰাৱে জম্মু-কাশ্মীৰৰ পৰা সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ কৰাৰ বাবে বিজেপি নেতৃত্বাধীন চৰকাৰক ভূয়সী প্ৰশংসা কৰে। সংবিধানৰ প্ৰণেতা ড০ বি আৰ আম্বেদকাৰেও জম্মু-কাশ্মীৰৰ পৰা সংবিধানৰ ৩৭০ নম্বৰ অনুচ্ছেদ প্ৰত্যাহাৰ কৰাৰ পোষকতা কৰিছিল বুলি তেওঁ প্ৰকাশ কৰে। বিজেপিৰ কবিতা পাটিদাৰ, কৃষ্ণলাল পাৱাৰ, ডং ভীম সিং, ডং অনিল বোন্দে, ৰাম চন্দৰ জাংৰা, শিৱসেনাৰ মিলিন্দ দেওৰা আৰু আন ভালেসংখ্যক সাংসদে আলোচনাত ভাগ লয়। আলোচনা অমীমাংসিত হৈ ৰয়।

০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই বাতিল হোৱা আৰু পিছুৱাই দিয়া বিভিন্ন পৰীক্ষাৰ নতুন সূচী ঘোষণা কৰিছে। সংস্থাটোৱে কালি জাৰি কৰা এখন জাননী যোগে কৈছে যে, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ পৰীক্ষা, ইউ জি চি-নেট জুন-২০২৪, ২১ আগষ্টৰ পৰা ৪ ছেপ্তেম্বৰৰ ভিতৰত অনুষ্ঠিত হ'ব। যোৱা ১৮ জুনত এই পৰীক্ষা অনুষ্ঠিত হোৱাৰ পাছত শিক্ষা মন্ত্ৰালয়ে পৰীক্ষাৰ সততাক লৈ আপোচ হোৱা বুলি অভিযোগ লাভ কৰাৰ পাছত বাতিল কৰা হৈছিল। ইপিনে, সতৰ্কতামূলক ব্যৱস্থাৰ অংশ হিচাপে স্থগিত ৰখা সংযুক্ত চি এছ আই আৰ-ইউ জি চি নেট জুন-২০২৪, ২৫ৰ পৰা ২৭ জুলাইলৈ অনুষ্ঠিত হ'ব।

একেদৰে, ৪ বছৰীয়া সংহত শিক্ষক শিক্ষা কাৰ্যসূচী আই টি ই পিত নামভৰ্তি ৰাষ্ট্ৰীয় উমৈহতীয়া প্ৰৱেশ পৰীক্ষা এন চি ই টি ১০ জুলাইত অনুষ্ঠিত হ'ব। এই পৰীক্ষাও বিভিন্ন কাৰণত পিছুৱাই দিয়া হৈছিল। ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই কৈছে যে, সৰ্বভাৰতীয় আয়ুষ স্নাতকোত্তৰ প্ৰৱেশ পৰীক্ষা পূৰ্ব নিৰ্ধাৰিত সূচী অনুযায়ী ৬ জুলাইত অনুষ্ঠিত হ'ব। সংস্থাটোৱে অধিক তথ্যৰ বাবে শিক্ষাৰ্থীসকলক www.nta.ac.in ৱেবছাইট চাবলৈ কৈছে।

০০০০০

নতুন ফৌজদাৰী আইন ভাৰতীয় ন্যায় সংহিতা ২০২৩, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম ২০২৩ সোমবাৰৰ পৰা প্ৰযোজ্য হ'ব। সংসদৰ শীতকালীন অধিবেশনৰ সময়ত এই বিধেয়ককেইখন গৃহীত হৈছিল। নতুন আইন তিনিখন ভাৰতীয় নাগৰিকৰ সৰলীকৰণৰ দিশত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হ'ব। সকলোৰে বাবে সুলভ, সহায়ক আৰু দক্ষ ন্যায় ব্যৱস্থা গঢ়ি তোলাই এই আইনকেইখনৰ মূল উদ্দেশ্য। নতুন ফৌজদাৰী আইনকেইখনৰ ঘাই ব্যৱস্থাসমূহৰ ভিতৰত ঘটনাৰ অনলাইন অৱগতকৰণ, যিকোনো আৰক্ষী থানাত এজাহাৰ ৰুজু কৰা আৰু ঘটনাৰ বলি হোৱাসকলক এজাহাৰৰ প্ৰতিলিপি প্ৰদান কৰা অন্যতম। ইয়াৰ উপৰি কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিলে তেওঁৰ নিজৰ স্থিতিৰ বিষয়ে পচন্দৰ ব্যক্তিক জনোৱাৰ অধিকাৰ থাকিব। নতুন আইন তিনিখনত লগতে মহিলা আৰু শিশুৰ বিৰুদ্ধে সংঘটিত অপৰাধৰ তদন্তত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছে। এনে ধৰণৰ গোচৰ এজাহাৰ ৰুজু হোৱাৰ দুমাহৰ ভিতৰত সমাধান কৰিব লাগিব।

০০০০০

শ্ৰীলংকাত অনলাইন বিত্তীয় কেলেংকাৰীত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে ১৩৭ জন ভাৰতীয় নাগৰিকক গ্ৰেপ্তাৰ কৰিছে। শ্ৰীলংকাৰ বাতৰি কাকত ডেইলী মিৰ'ৰৰ মতে, বৃহস্পতিবাৰে কলম্বোৰ উপকণ্ঠ অঞ্চল মাডিৱেলা, বাট্টাৰামুল্লা আৰু পশ্চিম উপকূলীয় চহৰ নেগোম্বোৰ পৰা ভাৰতীয় নাগৰিকসকলক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীৰ মুখপাত্ৰ এছ এছ পি নিহাল থালডুৱাই জনোৱা মতে, অপৰাধ অনুসন্ধান বিভাগে একেলগে অভিযান চলাই ১৫৮টা মোবাইল ফোন, ১৬টা লেপটপ, আৰু ৬০টা ডেস্কটপ কম্পিউটাৰ জব্দ কৰে। সামাজিক মাধ্যমত প্ৰচাৰৰ বিনিময়ত নগদ ধনৰ প্ৰলোভন লাভ কৰা এগৰাকী ভুক্তভোগীৰ অভিযোগৰ পিছতে শ্ৰীলংকা আৰক্ষীয়ে একাধিক স্থানত অভিযান চলাইছিল।

ooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মাণ্ডবিয়াই ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি ড° পি টি উষাই এছিয়ান গেমছত যোগক অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্তক আদৰণি জনাইছে। শেহতীয়াকৈ ড° পি টি উষাই এছিয়ান গেমছত যোগক খেল হিচাপে অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱ বিবেচনা কৰিবলৈ এছিয়া অলিম্পিক কাউন্সিলৰ সভাপতি ৰাজা ৰন্ধিৰ সিঙলৈ পত্ৰ প্ৰেৰণ কৰিছিল। মাণ্ডবিয়াই কয় যে ভাৰতে যোগক জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত আগভাগ লৈ আহিছে আৰু চৰকাৰে খেলো ইণ্ডিয়া গেমছত প্ৰতিযোগিতামূলক ক্ৰীড়া হিচাপে যোগক অন্তৰ্ভুক্ত কৰি সফলতা লাভ কৰিছিল। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে 'যোগাসন ভাৰতক' প্ৰতিযোগিতামূলক ক্ৰীড়া হিচাপে দেশত প্ৰচাৰ আৰু বিকাশৰ বাবে স্বীকৃতি প্ৰদান কৰিছে।

ooooo

ভাৰত আজি বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দলটোৱে ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডক ৬৮ ৰানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। আনহাতে দক্ষিণ আফ্ৰিকাই ছেমি ফাইনেলত আফগানিস্তানক পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত আৰু দক্ষিণ আফ্ৰিকা দুয়োটা দল এইবাৰৰ প্ৰতিযোগিতাত বৰ্তমানলৈকে এখনো খেলত পৰাজিত হোৱা নাই। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক হিচাপে ৰাহুল দ্ৰাবিড়ৰ এইখন অন্তিমখন খেল হ'ব।

ooooo

ভাৰতীয় মহিলা ক্ৰিকেট দলে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে চেন্নাইত অনুষ্ঠিত একমাত্ৰ টেষ্টৰ আজি দ্বিতীয় দিনা ৪ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৫২৫ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। ভাৰতে কালি প্ৰথম দিনা টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ সুন্দৰ প্ৰদৰ্শন আগবঢ়ায়। শ্বেফালি বাৰ্মা আৰু স্মৃতি মান্ধানাই প্ৰথম উইকেটৰ যুটীত মহিলা টেষ্ট ক্ৰিকেটৰ ইতিহাসত ২৯২ সৰ্বাধিক ৰানৰ অভিলেখ গঢ়ে। শ্বেফালি বাৰ্মাই ১৯৭টা বলত ২০৫ ৰান কৰি টেষ্ট ক্ৰিকেটত দ্ৰুত দ্বিশতক অৰ্জন কৰে। আনহাতে মান্ধানাই ১৬১টা বলত ১৪৯ ৰান কৰে। ভাৰতীয় মহিলা দলটোৱে একেটা দিনত ৫২৫ ৰান সংগ্ৰহ কৰি মহিলা টেষ্ট ক্ৰিকেটৰ ইতিহাসত ৮৯ বছৰ পুৰণি অভিলেখ ভংগ কৰে। ইয়াৰ পূৰ্বে ইংলেণ্ড ১৯৩৫ চনত নিউজিলেণ্ডৰ বিৰুদ্ধে ক্ৰাইষ্টচাৰ্চত এদিনতে দুটা উইকেট হেৰুৱাই ৪৩১ ৰান কৰিছিল।

০০০০০

ভাৰতে বেডমিণ্টন এছিয়া জুনিয়ৰ মিক্সড টিম চেম্পিয়নশ্বিপত ইণ্ডোনেছিয়াৰ যোগিয়াকাৰ্টাত কালি অনুষ্ঠিত হোৱা গ্ৰুপ চিৰ প্ৰথমখন খেলত ভিয়েটনামৰ বিৰুদ্ধে ৫-০ ব্যৱধানত জয়লাভ কৰি অভিযান আৰম্ভ কৰিছে। ভাৰ্গৱ ৰাম আৰিগেলা আৰু ভেনালা কেৰ যুটিটোৱে ফাম ভান ট্ৰুং আৰু বুই বিচ ফুয়ঙক ১৭-২১, ২১-১৯, ২১-১৭ ব্যৱধানত পৰাস্ত কৰে। প্ৰণয় শ্বেটীগাৰে ১০-২১, ২১-১৮, ২১-১৭ ব্যৱধানত ট্ৰান কুক খানক পৰাস্ত কৰি ভাৰতৰ অগ্ৰগতি দুগুণ কৰাৰ লগতে 'ছিনিয়ৰ নেশ্যনেল চেম্পিয়নশ্বিপ'ৰ ফাইনেলিষ্ট তনভি শৰ্মাই ট্ৰান থি আনৰ বিৰুদ্ধে ২১-১৩, ২১-১৮ ব্যৱধানত জয়লাভ কৰে। ইয়াৰ পিছত পুৰুষৰ ডাবলছত আৰ্ষ মহম্মদ আৰু চংস্কাৰ চাৰস্বতে ২০-২২, ২১-১৬, ২১-১৩ ব্যৱধানত নুয়েন ভান মাই আৰু ফাম ভান ট্ৰুংক পৰাস্ত কৰাৰ বিপৰীতে মহিলাৰ ডাবলছ শাখাত নব্যা কাণ্ডেৰী আৰু শ্ৰৱণী ৱালেকাৰে বুই বিচ ফুয়ং আৰু ট্ৰান থি আনক ২১-৬, ১৯-২১ আৰু ২১-১৪ ব্যৱধানত পৰাস্ত কৰে। ভাৰত আজি প্ৰতিযোগিতাৰ দ্বিতীয় ৰাউণ্ডত ফিলিপাইনছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

**সমাপ্ত**